# RFRI CONDUCTS SKILL DEVELOPMENT TRAINING ON BAMBOO

**Rain Forest Research Institute, Jorhat (Assam)** conducted a three-day long Skill Development Training on Propagation, Nursery Management and Cultivation of Bamboo during 09-11 May, 2022. Three participants from different districts of Assam and one from Mumbai took part in this Training programme. Dr. RSC Jayaraj, Director, RFRI, Jorhat inaugurated the training programme. Shri R. K. Kalita, Scientist conducted the training as Course Director.

At the outset, Dr. RSC Jayaraj delivered a detailed presentation on Overview on Bamboo Sector in India. Shri R. K. Kalita imparted training on Bamboo Propagation Methods & Nursery Practices and Cultivation and Management Practices of Bamboo. Shri Kumud Borah, Technical Officer conducted Hands-on Demonstration of Bamboo Propagation Methods and Practical Demonstrations Management Practices. Shri Debojit Neog, Technical Officer taught Identification of Bamboo. Dr. R. D. Barthakur, ACTO, delivered presentation on Bamboo Preservation Treatments and its Demonstrations. She also practically demonstrated various processes of preservation techniques. Shri Kumud Borah also delivered a presentation on Bamboo Based Agroforestry and Economics of Bamboo Cultivation.

Certificates were distributed to the participants at the Valedictory Session.

# RFRI conducts Skill Development Training on Bamboo | 2022































12/05/2022

নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক

দৈনিক জনমভূমি

জাতিৰ অস্তিত্ব ৰক্ষাৰ পৰা অসম গণ পৰিষদৰ অস্তিত্ব ৰক্ষালৈ...

পৃষ্ঠা ২ শ্ৰীলংকাত দেখা মাত্ৰেই গুলীৰ নিৰ্দেশ

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

৫০ সংখ্যক বছৰ ● সংখ্যা ৩৩৬ ● যোৰহাট ● বৃহস্পতিবাৰ ● ২৮ বহাগ ১৯৪৪ শক RNI No. 24623/73 THE DAINIK JANAMBHUMI Jorhat Thursday May 12, 2022 ● ১৪ পৃষ্ঠা ● যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ● মূল্য ঃ ৯ টকা

পুস্তকালয় Library

আঞ্চলিক

# বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত বাঁহৰ প্ৰশিক্ষণ সম্পন্ন

যোৰহাট ঃ ১১ মে' ঃ বৰ্ষাৰণ্য প্ৰতিষ্ঠানত আজি এটা তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন হয়। বাঁহৰ পুলি বাগান প্ৰস্তুত, বাঁহৰ সংবৰ্ধন কৌশল আৰু বাণিজ্যিকভাৱে বাঁহৰ খেতিৰ বিষয়ত এই প্ৰশিক্ষণ কাৰ্যসূচী যোৱা ৯ মে'ত উদ্বোধন কৰে বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° আৰ এছ চি জয়ৰাজে। অসমৰ বিভিন্ন জিলা আৰু মুম্বাইৰ পৰা অহা প্ৰশিক্ষাৰ্থীসকলে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ 'পাঠ্যক্ৰম সঞ্চালনা'ত পৰিচালিত হোৱা এই প্ৰশিক্ষণত কেইবাজনো সমল ব্যক্তিয়ে প্ৰশিক্ষণ আগবঢ়ায়। সঞ্চালক ড° জয়ৰাজে প্ৰথমতেই সমগ্ৰ বাঁহখণ্ডৰ ওপৰত এটা বিশদ বিৱৰণ আগবঢ়ায়। বাঁহৰ যোগান, চাহিদা, প্ৰয়োগ, সম্ভাব্য বহুল ব্যৱহাৰ আদি কৰি বিভিন্ন বিষয়ৰ সন্দৰ্ভত সবিস্তাৰে অৱগত কৰে। জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই বাঁহৰ বিষয়ক মনোজ্ঞ প্ৰশিক্ষণ আগবঢ়ায়। বাঁহৰ উপযোগী মাটি, বাঁহৰ সংবৰ্ধনৰ কৌশল, পুলি বাগানৰ বিভিন্ন কৌশলসমূহ, ৰোপণ পদ্ধতি, বেমাৰ-আজাৰ নিয়ন্ত্ৰণ, বাঁহ চপোৱাৰ পদ্ধতি আদি কৰি সমগ্ৰ বিষয়ত বিশদভাৱে আলোকপাত কৰে। কাৰিকৰী বিষয়া কুমুদ বৰাই পুলি বাগান, সংবৰ্ধন আদিৰ লগত জড়িত বিভিন্ন কৌশলবোৰ হাতে-কামে কৰি দেখুৱায়। আন এজন কাৰিকৰী বিষয়া দেৱজিৎ নেওগে বিভিন্ন বাঁহৰ প্ৰজাতিসমূহৰ চিনাক্তকৰণৰ প্ৰশিক্ষণ আগবঢ়ায়। প্ৰতিষ্ঠানৰ এগৰাকী মুখ্য কাৰিকৰী বিষয়া ড° ৰুণুমী বৰঠাকুৰে বাঁহৰ বিভিন্ন পৰিশোধন পদ্ধতিবোৰৰ বিষয়ত প্ৰশিক্ষণ আগবঢ়ায়। প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।